# উৎসৰ্গা

যিসকল ব্যক্তিৰ
শ্ৰম আৰু ত্যাগৰ বিনিময়ত
ভাঁজী আমুগুৰিত উচ্চ শিক্ষাৰ অনুষ্ঠান,
ভাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ে
প্ৰতিষ্ঠা লাভ কৰি
সোণালী জয়ন্তী বৰ্ষ
অতিক্ৰম কৰিবলৈ সক্ষম হৈছে
সেইসকলৰ নামত
'প্ৰভাস্বৰ'
উৎসৰ্গা কৰা হ'ল।

— সম্পাদকদ্বয়, 'প্ৰভাস্বৰ'

# সম্পাদকীয়



১৯৬৪ চনৰ ২৫ জুলাই। শিৱসাগৰ জিলাৰ বুৰঞ্জী প্ৰসিদ্ধ জাঁজী অঞ্চলৰ ইতিহাসত এটি স্মৰণীয় দিন। ১৯৫৮ চনৰ ২৬ অক্টোবৰ তাৰিখে জাঁজী হাইস্কুলৰ সোণালী জয়ন্তী উৎসৱৰ শেষৰ দিনা জাঁজী অঞ্চলত উচ্চ শিক্ষাৰ প্ৰচাৰ আৰু প্ৰসাৰৰ উদ্দেশ্য আগত লৈ এখন মহাবিদ্যালয় প্ৰতিষ্ঠা কৰাৰ যি প্ৰস্তাৱ লোৱা হৈছিল, সেই প্ৰস্তাৱৰ ফলশ্ৰুতিত তাৰ ছবছৰৰ পিচত কেইবাজনো বিদ্যুৎসাহী ব্যক্তিৰ প্ৰচেষ্টাত 'জাঁজী কলেজ' প্ৰতিষ্ঠিত হ'ল। পৰৱৰ্তী সময়ত জাঁজীত চৰকাৰী চাকৰি ইস্তফা দি শিক্ষাৰ পাতনি মেলা স্বনামধন্য, বৰেণ্য ব্যক্তি হেমনাথ শৰ্মাৰ নামত উৎসৰ্গিত 'জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়'ৰ ২০১৪ চনৰ ২৫ জুলাই তাৰিখে পঞ্চাচ বছৰ সম্পূৰ্ণ হ'ল। সম্প্ৰতি ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক আৰু বৌদ্ধিক উত্তৰণত অৰিহণা যোগোৱা মহাবিদ্যালয়খনে অসমৰ উচ্চ শিক্ষাৰ ইতিহাসত এক বিশেষ স্থান লাভ কৰিবলৈ সক্ষম হৈছে। মহাবিদ্যালয়খনৰ নিজস্ব ইতিহাসৰ লগত ঐতিহ্যমণ্ডিত জাঁজী অঞ্চলৰ ইতহাস জড়িত হৈ



আছে। এটা সৎ উদ্দেশ্য আগত লৈ প্ৰতিষ্ঠা কৰা, সমগ্ৰ জাঁজীবাসীৰ বাবে গৌৰৱৰ থল, জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ে জাঁজী অঞ্চলৰ উপৰিও খনামুখ, ভগামুখ, মৰিজাঁজী, তামুলীছিগা, বামুণপুখুৰী, বনাই, গৌৰীসাগৰ, চাৰিং, দিখৌমুখ, ম'ৰাবজাৰ, দেওৰজা, আমগুৰি, নামতি আদি ঠাইৰ বহু ছাত্ৰ-ছাত্ৰীক উচ্চ শিক্ষা প্ৰদান কৰি ধন্য হৈছে। এই মহাবিদ্যালয়লৈ চিলাপথাৰ, ডুমডুমা, বিহপুৰীয়া, তেজপুৰ, ডিব্ৰুগড়, মাজুলী, শিৱসাগৰ, ডিমৌ আদি ঠাইৰ পৰাও সংস্কৃত শিক্ষা লাভ কৰিবলৈ ছাত্ৰ-ছাত্ৰী আহি স্নাতক হৈ ওলাই গৈছে। গতিকে এই মহাবিদ্যালয়ৰ এটি সোণালী ইতিহাস আছে। মহাবিদ্যালয় এখন প্ৰতিষ্ঠাৰ ক্ষেত্ৰত জড়িত থকাসকলৰ আৰ্থ-সামাজিক প্ৰতিবন্ধকতা, পৰিচালনাৰ দায়িত্বত থকাসকলে সন্মুখীন হোৱা নানা সমস্যা, মহাবিদ্যালয়খন সৰ্বাংগসুন্দৰ ৰূপত গঢ়ি তোলাৰ ক্ষেত্ৰত অৰিহণা যোগোৱা পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি, সদস্যসকল, প্ৰাক্তন অধ্যক্ষসকল, উপাধ্যক্ষসকল, শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰীসকল, প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ লগতে বৰ্তমানৰ পৰিচালনা সমিতিৰ সভাপতি, সদস্যসকল, অধ্যক্ষ, উপাধ্যক্ষ, শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰীসকলৰ সফলতা-বিফলতাৰ ইতিহাসেৰে পূৰ্ণ হৈ আছে মহাবিদ্যালয়ৰ পঞ্চাচ বছৰীয়া ইতিহাস। জাঁজী অঞ্চলৰ ইতিহাসত সোমাই আছে-শিক্ষাৰ ইতিহাস, সামাজিক, সাংস্কৃতিক ইতিহাস, সাংবাদিকতাৰ ইতিহাস, ক্ৰীড়াৰ ইতিহাস।

জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ তদানীন্তন অধ্যক্ষ ড° অনিল কুমাৰ গগৈদেৱৰ পৰামৰ্শমতে শিক্ষকগোটৰ সেইসময়ৰ সম্পাদক ছাজিদুল হক বৰবৰাৰ আহ্বানক্ৰমে ড° অনিল কুমাৰ গগৈদেৱৰ সভাপতিত্বত অনুষ্ঠিত শিক্ষক-কৰ্মচাৰীসকলৰ সভাখনত এটা গুৰুত্বপূৰ্ণ সিদ্ধান্ত লোৱা হয়। সেই সিদ্ধান্ত অনুসৰি মহাবিদ্যালয়ৰ শিক্ষক গোটৰ সদস্য-সদস্যাসকলে পাঁচবছৰৰ মূল দৰমহাৰ নিৰ্দিষ্ট পৰিমাণৰ সঞ্চয়ৰে পাঁচটা বিষয়ৰ ওপৰত পাঁচখন গ্ৰন্থ সম্পাদনা কৰি প্ৰকাশ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। সেই গ্ৰন্থকেইখনৰ ভিতৰত

এখন হ'ল-'মহাবিদ্যালয়ৰ ইতিহাস সম্বলিত গ্ৰন্থ'। ইয়াৰ পৰৱৰ্তী সভা এখনত আমাক ড° অনুপমা মহন্ত, সহযোগী অধ্যাপিকা তথা মুৰব্বী, সংস্কৃত বিভাগ আৰু বাণিজ্য বিভাগৰ সহকাৰী অধ্যাপক শ্ৰীজ্যোতি প্ৰসাদ গগৈক গ্ৰন্থখন সম্পাদনাৰ বাবে দায়িত্ব অৰ্পণ কৰে।

১৬/০৫/২০১২ তাৰিখে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মানজিৎ গগৈৰ সভাপতিত্বত অনুষ্ঠিত এখন সভাত সম্পাদনা সমিতিয়ে মহাবিদ্যালয়খনৰ ইতিহাসৰ লগতে সমগ্ৰ জাঁজী অঞ্চলৰ শৈক্ষিক, সামাজিক, সাহিত্য-সংস্কৃতি, ক্ৰীড়াৰ ইতিহাস, প্ৰাক্তন অধ্যক্ষ, উপাধ্যক্ষ, শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী সকলৰ জীৱন-পঞ্জী আৰু প্ৰয়োজন সাপেক্ষে গৱেষণামূলক প্ৰবন্ধ গ্ৰন্থখনত সংযোজনৰ পৰামৰ্শ দিয়ে।

আমাৰ ওপৰত মহাবিদ্যালয় পৰিয়ালে এনে এখন গ্ৰন্থ সম্পাদনাৰ দায়িত্ব ন্যস্ত কৰাৰ পাচৰ পৰাই আগন্তুক সোণালী জয়ন্তীৰ উৎসৱ উদ্‌যাপনৰ সময়ত গ্ৰন্থখন প্ৰকাশ কৰিবৰ বাবে তথ্য সংগ্ৰহৰ কাম আৰম্ভ কৰিছিলো। কিন্তু গ্ৰন্থখনৰ দায়িত্ব লোৱাটো আমাৰ নিচিনা ব্যক্তিৰ বাবে এক দুঃসাহসিক কাম বুলিয়েই গণ্য কৰোঁ। অতি পৰিতাপৰ কথা মহাবিদ্যালয়ৰ সোণালী জয়ন্তী উৎসৱৰ আৰম্ভণি অনুষ্ঠানৰ পাচতেই কেইমাহমানৰ ভিতৰতে সম্পাদনা সমিতিৰ উপদেষ্টাসকলৰ চাৰিজন অধ্যাপক, অধ্যাপিকা ক্ৰমে চিত্ৰলতা ফুকন, হৰিনাৰায়ণ আগৰৱালা, যতীন বৰা আৰু ড° জগন্নাথ মহন্তদেৱৰ মৃত্যু হ'ল। অৱশ্যে তেখেতসকলে নিজৰ জীৱন পঞ্জীৰ লগতে মহাবিদ্যালয় আৰু জাঁজী অঞ্চলৰ সাংস্কৃতিক দিশৰ ভালেখিনি তথ্য দি থৈ গৈছে। তেখেতসকলৰ পুণ্যাত্মাৰ প্ৰতি আমি গভীৰ শ্ৰদ্ধাঞ্জলি নিবেদন কৰিছোঁ। মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ শ্ৰীযুত শিৱনাথ শৰ্মা ছাৰ দূৰৈত থকাৰ বাবে তেখেতৰ লগত টেলিফোনেৰে যোগাযোগ কৰি পৰামৰ্শ লৈছোঁ। গ্ৰন্থখনৰ নামকৰণ সন্দৰ্ভত হোৱা আলোচনা প্ৰসংগত সম্পাদনা সমিতিয়ে আলোচনাৰ অন্তত *'প্ৰভাস্বৰ'* নামটোত অনুমোদন জনায়। অন্যসকল উপদেষ্টা ক্ৰমে

শ্ৰীযুত উমেশ চন্দ্ৰ ঠাকুৰ, শ্ৰীযুত ৰজনীকান্ত গোস্বামী, শ্ৰীযুত ভৱানী কুমাৰ বৰুৱা ড° কৃষ্ণকান্ত সন্দিকৈ, শ্ৰীযুত হৰেণ বৰুৱা, ড° অনিল কুমাৰ গগৈয়ে সততে দিহা-পৰামৰ্শ দি আমাৰ সকলোপ্ৰকাৰে সহায় কৰাৰ বাবে আমি কৃতজ্ঞ। তেখেতসকলৰ তথ্যসম্বলিত লিখনিয়ে আমাক কৃতাৰ্থ কৰিলে। সম্পাদনা সমিতিৰ অন্যান্য সদস্যসকলৰ পৰাও আমি সততে সহায়-সহযোগিতা পাই আহিছোঁ। মহাবিদ্যালয়ৰ শিক্ষক, কৰ্মচাৰীৰ পুঁজিৰে বিভিন্ন বিষয়ৰ পাঁচখন গ্ৰন্থ প্ৰকাশ কৰাৰ প্ৰথম পৰামৰ্শ আগবঢ়োৱা তদানীন্তন অধ্যক্ষ ড° অনিল কুমাৰ গগৈদেৱলৈ আমি কৃতজ্ঞতা জনালোঁ। বৰ্তমানৰ অধ্যক্ষ ড° মানজিৎ গগৈদেৱে গ্ৰন্থখন প্ৰকাশৰ ক্ষেত্ৰত আমাক সদায়ে উৎসাহ প্ৰদান কৰি আহিছে। তেখেতলৈ আমাৰ তৰফৰ পৰা আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ। মহাবিদ্যালয়ৰ বিভিন্ন বিভাগসমূহৰ, গ্ৰন্থাগাৰৰ,হোষ্টেলৰ, কাৰ্যালয়ৰ, মহাবিদ্যালয়ৰ শিক্ষক গোটৰ, ছাত্ৰ একতা সভাৰ, জাঁজী অঞ্চলৰ শিক্ষা, সাহিত্য, সাংস্কৃতিক, ক্ৰীড়া আদি দিশৰ তথ্যসমৃদ্ধ লেখনি প্ৰস্তুত কৰি দিয়া সকলো লেখক, লেখিকালৈ আমি সম্পাদনা সমিতিৰ হৈ কৃতজ্ঞতা জনাইছোঁ।

ড° জগন্নাথ মহন্তদেৱে মৃত্যুৰ প্ৰায় দুমাহৰ আগতে সংস্কৃতি বিষয়ক তথ্যখিনিৰ সিংহভাগ লিখিত ৰূপত দি থৈ গৈছে। তেখেতৰ এই অৰিহণাৰ বাবে মৰণোত্তৰভাৱে সম্পাদনা সমিতিয়ে শ্ৰদ্ধা নিবেদন কৰিছোঁ।

আমি অতি বিনম্ৰভাৱে জনাইছোঁ যে এই গ্ৰন্থত প্ৰকাশিত তথ্যসমৃদ্ধ প্ৰবন্ধসমূহৰ তথ্যপাতি লেখকসকলে নিজাকৈ সংগ্ৰহ কৰি দিছে আৰু সম্পাদনা সমিতিয়ে বাক্য গাঁথনিৰ সামান্য সাল-সলনিৰ বাহিৰে তথ্য সমূহৰ ক্ষেত্ৰত কোনো ধৰণৰ সাল-সলনি কৰা নাই।

গ্ৰন্থখনত মহাবিদ্যালয়খন প্ৰতিষ্ঠাৰে পৰা পঞ্চাচ বছৰৰ ইতিহাসসমৃদ্ধ প্ৰবন্ধ প্ৰকাশ কৰিবলৈ প্ৰচেষ্টা চলোৱা হৈছে। আমাৰ সীমাবদ্ধতাৰ ভিতৰত গ্ৰন্থখন প্ৰকাশ কৰিবলৈ যাওঁতে যদি তথ্যপাতিসমূহত কিবা আঁসোৱাহ থাকি গৈছে তাৰ বাবে পঢ়ুৱৈসকলৰ ওচৰত আমি ক্ষমা বিচাৰিছোঁ। অতীতৰ স্মৃতিত

সোমাই যোৱা বহু তথ্য হয়টো আমি উলিয়াই আনিবলৈ সক্ষম নহ'লো। তাৰ বাবে অসমৰ্থতা আমি স্বীকাৰ কৰিছোঁ।

মহাবিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰীসকলৰ সভাই আমাক ইতিহাসসমৃদ্ধ গ্ৰন্থখন সম্পাদনা কৰি প্ৰকাশ কৰিবলৈ দায়িত্ব দি আমাৰ ওপৰত যি আস্থা প্ৰকাশ কৰিলে, তাৰ বাবে আমি কৃতজ্ঞতা জনালোঁ। অৱসৰপ্ৰাপ্ত অধ্যক্ষ, অধ্যাপক, অধ্যাপিকা, কৰ্মচাৰী, মহাবিদ্যালয়ৰ বৰ্তমানৰ অধ্যক্ষ, অধ্যাপক, অধ্যাপিকাসকল, কৰ্মচাৰীসকল, বেটুপাতৰ শিল্পী আৰু সংশ্লিষ্ট শুভাকাংক্ষী সকলোকে কৃতজ্ঞতা জনালোঁ। গ্ৰন্থখনৰ প্ৰৱন্ধপাতিৰ ডি.টি.পি. কৰি দিয়া জামুগুৰিস্থিত কম্পিউটেক আৰু সংবাদ কেন্দ্ৰৰ স্বত্বাধিকাৰী মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী শ্ৰী পংকজ দত্ত, শ্ৰী সুনম কলিতা দত্ত আৰু মাইনা হাজৰীকাৰ শলাগ লৈছোঁ।

সম্পাদনাৰ ক্ষেত্ৰত আমাক সততে সহায় কৰি উৎসাহ যোগাই থকা গ্ৰন্থখনিৰ সম্পাদনা সমিতিৰ মাননীয় উপদেষ্টাসকল আৰু সদস্যসকলৰ ওচৰত আমি কৃতজ্ঞ হৈ ৰ'লো। মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ শ্ৰী ঋষেশ্বৰ শৰ্মা, মহাবিদ্যালযৰ অৰ্থনীতি বিভাগৰ সহযোগী অধ্যাপিকা ও মুৰব্বী শ্ৰী মীৰা বালা বৰা আৰু ছপাৰ কাম নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে যোৰহাটৰ "ইউনিকা প্ৰকাশন" ৰ স্বত্বাধিকাৰী প্ৰমূখ্যে সমূহ কৰ্মচাৰীৰ শলাগ লৈছোঁ।

**ড° অনুপমা মহন্ত**
**জ্যোতিপ্ৰসাদ গগৈ**

# সূচীপত্ৰ


## শিক্ষাৰ ইতিহাস

১) 50 Years of Jhanji Hemnath Sarma College
(1964-2014)-A Report (Since inception)
*ঃ Bireswar Neog* ২১

২) জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয় ঃ এটি চমু অৱলোকন
*ঃ ড° মানজিৎ গগৈ* ৫২

৩) জাঁজী অঞ্চলৰ শৈক্ষিক অগ্ৰগতি ঃ
জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ অৱদান
*ঃ ৰজনীকান্ত গোস্বামী* ৬৪

৪) বিহঙ্গম দৃষ্টিত জাঁজী অঞ্চলৰ শিক্ষা ব্যৱস্থা আৰু
জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয় ঃ এটি চমু অৱলোকন
*ঃ শিৱনাথ শৰ্মা* ৮০

৫) Sanskrit Studies in North-East India,
Jhanji: Glorious Place of Sanskrit Studies
*ঃ Dr. Krishna Kanta Handique* ৮৫

## সংস্কৃতিৰ ইতিহাস

১) জাঁজীৰ সাংস্কৃতিক বাতাবৰণ আৰু
জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ অৰিহণা
*ঃ উমেশ চন্দ্ৰ ঠাকুৰ, ড° জগন্নাথ মহন্ত,
ড° কৃষ্ণকান্ত সন্দিকৈ, হৰেন বৰুৱা,
চন্দন দত্ত* ৯৫

সাহিত্যৰ ইতিহাস

১) জাঁজীৰ সাহিত্য আৰু হেমনাথ শৰ্মা মহাবিদ্যালয়
*ঃ চন্দন দত্ত* ১২৫

ক্ৰীড়াৰ ইতিহাস

১) জাঁজীৰ ক্ৰীড়াংগণত এভুমুকি
*ঃ হৰেন বৰুৱা* ১৪১

সাংবাদিকতাৰ ইতিহাস

১) সংবাদ জগতত জাঁজী
*ঃ গোপাল বৰুৱা* ১৫৩

অন্যান্য ইতিহাস

১) Brief History of Jhanji Hemnath Sarma College Teachers' Unit (1967-2014)
*ঃ Rajani Kanta Goswami*
*Sagidul Haque Borbora*
*Dr. Jayanta Kumar Gogoi* ১৬১

২) জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰৰ ইতিহাস ১৮৬
*ঃ উমানন্দ বৰুৱা*

৩) জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয় ছাত্ৰ একতা সভা - এক সুদীৰ্ঘ সাংগঠনিক পৰিক্ৰমা (১৯৬৭-২০১৪) ১৯৪
*ঃ ড° বিৰিঞ্চি কুমাৰ বৰা*

৪) মহাবিদ্যালয়ৰ মহিলাকোষৰ প্ৰতিবেদন ২০৬
*ঃ মীৰা বালা বৰা*

৫) জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ ছাত্ৰ/ছাত্ৰী নিৱাস
*ঃ ৰাজুৰাণী গোস্বামী* ২১১

৬) কৃষ্ণকান্ত সন্দিকৈ মুক্ত বিশ্ববিদ্যালয় ঃ
জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ অধ্যয়ন কেন্দ্ৰ
*ঃ জীৱমণি নাথ* ২১৬

৭) মহাবিদ্যালয়ৰ ইতিহাসত এক নৱসংযোজন ঃ
দূৰসংযোগ অধ্যয়ন কেন্দ্ৰ
*ঃ ড° বিৰিঞ্চি কুমাৰ বৰা* ২১৯

৮) জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ শাখা সাহিত্য সভাৰ
এক চমু ৰেঙণি
*ঃ জীৱমণি নাথ* ২২১

৯) জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা
আঁচনি (NSS) গোটৰ ইতিহাস
*ঃ বসন্ত সন্দিকৈ* ২২৫

১০) জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ
ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী (N. C. C.)-ৰ ইতিহাস
*ঃ মনোৰীমা ভাগৱতী* ২২৯

১১) মহাবিদ্যালয়ৰ কাৰ্যালয়ৰ ইতিহাস
*ঃ মঃ আবুল কাছিম, ইন্দ্ৰ দাস* ২৩১

**স্মৰণীয় ব্যক্তিত্বৰ আলোকপাত**

১) স্বৰ্গীয় হেমনাথ শৰ্মা ঃ এটি প্ৰাতঃস্মৰণীয় ব্যক্তিত্ব
*ঃ ভৱানী কুমাৰ বৰুৱা* ২৩৪

২) জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়লৈ মহেন্দ্ৰ কুমাৰ বৰুৱাৰ অৱদান
*ঃ ড° অনিল কুমাৰ গগৈ* ২৪৩